# তীতৰ প্ৰতি পত্ৰ

১ ১পৌলৰ হৈ যাক ঈশ্বৰে মনোনীত লোকবিলাকক তেওঁলোকৰ বিশ্বাসত সহায় কৰিবলৈ আৰু আমাৰ ধৰ্মৰ সত্যতাৰে সম্পূৰ্ণ জ্ঞানৰ দয়াৰ কাৰণে পঠোৱা হৈছে। ২সেইবোৰ মই এইকাৰনে কৈছোঁ যে ঈশ্বৰৰ মনোনীত বিলাকক অনন্ত জীৱনৰ আশা ওপজাই। ঈশ্বৰে যি কেতিয়াও মিছা নকয়, অনাদি কালৰে পৰা অনন্ত জীৱনৰ বাক্য দিছে। ৩উচিত সময়ত ঈশ্বৰে নিজৰ শুভবাৰ্তাক উপদেশৰ দ্বাৰা প্ৰকাশ কৰিলে। সেই শুভবাৰ্তা আমাৰ ত্ৰাণকৰ্তা ঈশ্বৰৰ আজ্ঞা মোক গতাই দিয়া হল।

৪আমাৰ সমানে বিশ্বাসী মোৰ পুত্ৰ তীত লৈ:

আমাৰ পৰম পিতৃ ঈশ্বৰৰ আৰু ত্ৰাণকৰ্তা খ্ৰীষ্ট যীচুৰ পৰা অনুগ্ৰহ আৰু শান্তি তোমালৈ হওক।

### ক্ৰীতিত তীতৰ কাৰ্য্য

৫মই তোমাক ক্ৰীতিত এই কাৰনে এৰি থৈ আহিলোঁ অসম্পূৰ্ণ কাৰ্য্যবোৰ সম্পূৰ্ণ যাতে কৰা আৰু মোৰ আদেশৰ অনুসাৰে নগৰৰ বৃদ্ধ লোকক নিযুক্ত কৰা। ৬তেওঁলোকক নিযুক্ত তেতিয়া কৰিবা যেতিয়া তেওঁলোক নিৰ্দোষী। এজনী তিৰোতাৰ স্বামী। তেওঁলোকৰ সন্তানবিলাক বিশ্বাসকাৰী, আৰু অনুশাসনত তেওঁলোকক যেন দোষাৰোপ কৰা নাযায়, তথা তেওঁলোক নিৰসংকুচো হব নালাগে। ৭নিৰীক্ষককক নিৰ্দোষী তথা কোনো দুষ্টতাৰে চুৰা হব নালাগে। কিয়নো যাক ঈশ্বৰৰ কাম গতাই দিয়া হৈছে, তেওঁ নিজ ইচ্ছাৰে চলোঁতা, অলপতে ক্ৰোধী, মদপী, হব নালাগে। তেওঁ প্ৰহাৰক, আৰু কুছিত লাভ বিচৰা হব নালাগে। ৮কিন্তু তেওঁ অতিথি-সেৱক, সাধুক স্নেহ কৰোঁতা, বিবেচক, ধাৰ্মিক, ভক্তি তথা নিজৰ ওপৰত নিয়ন্ত্ৰণ কৰা হব লাগে। ৯তেওঁ সেই বিশ্বাসযোগ্য শুভবাৰ্তাক দৃঢ়তাৰে ধাৰণ কৰি থাকিব লাগে যিহৰ শিক্ষা তেওঁক দিয়া হৈছে। যাতে তেওঁ লোকবিলাকক সৎশিক্ষা দি তেওঁলোকক আসক্ত কৰিব পাৰে, আৰু যিবিলাক ইয়াৰ বিৰোদ্ধী তেওঁলোকক অনুয়োগ কৰিব পাৰে।

১০এইটো এইকাৰনে গুৰুত্বপূৰ্ণ কিয়নো বহুত লোকে বিদ্ৰোহী হৈ অনৰ্থক বাক্য কৈ আন বিলাকক পথভ্ৰষ্ট কৰে। মই বিশেষকৈ যিহুদী পৃষ্ঠভূমিত থকা বিলাকৰ উল্লেখ কৰিছোঁ। ১১কিয়নো তেওঁবিলাকৰ মূখ বন্ধ কৰা আৱশ্যক। কিয়নো তেওঁলোকে যিবোৰ শিকাব নালাগে, সেইবোৰ শিকায় ঘৰ বিলাক বিনষ্ট কৰি আছে। বেয়া পথেৰে কুচ্ছিত লাভৰ বাবে তেওঁলোকে এনে কৰে। ১২এজন ক্ৰীতৰ নিবাসীয়ে নিজৰ লোকবিলাকৰ বিষয়ে নিজেই কৈছে, "ক্ৰীতৰ নিবাসী বিলাকে সদায়ে মিছা কথা কয়, তেওঁলোক বনৰীয়া জন্তু, তেওঁলোক এলেহুৱা, ভাত ভাৰী।" ১৩এই কথা সঁচা, এইকাৰণে তেওঁলোকক জোৰেৰে ডবিওৱা, কঠোৰ অনুযোগ কৰা যাতে তেওঁলোকৰ বিশ্বাস নিৰাময় হয়। ১৪যিহুদীবিলাকৰ পুৰনি আখ্যানলৈ আৰু তেওঁলোকৰ আদেশলৈ যিবোৰে সত্যৰ পৰা বিমূখ হৈছে, তেওঁলোকলৈ মন নিদিবা।

১৫পবিত্ৰবিলাকৰ বাবে সকলোৱেই পবিত্ৰ, কিন্তু অশুচি আৰু যিবিলাকৰ বিশ্বাস নাই, তেওঁলোকৰ বাবে একোৱেই শুচি নহয়। ১৬তেওঁলোকে ঈশ্বৰক জানো বুলি কয়। কিন্তু তেওঁলোকৰ কৰ্ম্মই দৰ্শায় যে তেওঁলোকে নজনাটো। তেওঁলোক ঘৃনিত আৰু আজ্ঞা নমনা আৰু কোনো সৎকৰ্ম্ম কৰিবলৈ অসমৰ্থ।

### সঁচা শিক্ষাৰ অনুসৰণ

২ ১কিন্তু তুমি সদায় কথাবোৰ কৰা যি নিৰাময় শিক্ষাৰ উপযুক্ত। ২বৃদ্ধ পুৰুষ সকলক শিক্ষা দিয়া যাতে তেওঁলোকে পৰিমীত-ভোগী, আৰু নিজৰ ওপৰত নিয়ন্ত্ৰণ কৰা হব পাৰে। তেওঁলোক ধীৰ, বিবেচক, আৰু প্ৰেম আৰু বিশ্বাসত দৃঢ় আৰু ধৈৰ্য্যত সহনশীল হয়।

৩সেইদৰে বৃদ্ধ মহিলাবিলাকক শিকোৱা যে পবিত্ৰ লোকবিলাকৰ যোগ্য উত্তম আচাৰ ব্যৱহাৰ দেখুৱায়। অপবাদিকা তথা অধিক দ্ৰাক্ষাৰসৰ দাসী তেওঁবিলাক যেন নহওক।ভাল ভাল কথাৰ শিক্ষা-দায়িকা হওক ৪যাতে যুৱতীবিলাকক নিজৰ নিজৰ সন্তান আৰু স্বামীক প্ৰেম কৰাৰ শিক্ষা দিব পাৰে। ৫যিহতে তেওঁলোক বিবেচক, পবিত্ৰ, নিজ নিজ ঘৰক দেখভাল কৰোঁতা, দয়ালু, নিজৰ স্বামীৰ আজ্ঞা পালন কৰোঁতা হওক যাতে ঈশ্বৰৰ বাক্যৰ নিন্দিত নহয়।

৬সেইদৰে ডেকাবিলাককো শিকাই থাকা যাতে তেওঁলোক সুবোধ হওক। ৭তুমি নিজকে প্ৰত্যেক বিষয়ত আদৰ্শৱান হৈ দেখুওৱা। তোমাৰ শিক্ষা শুদ্ধতা আৰু ধীৰতা হব লাগে। ৮এনে সৎবাণীৰ প্ৰয়োগ কৰা, যাৰ বিষয়ে কোনো সমালোচনা কৰা নাযাওক, যাতে তোমাৰ বিৰুদ্ধী বিলাক লজ্জিত হওক কিয়নো তোমাৰ বিৰুদ্ধে তেওঁলোকৰ কবলৈ একো নাথাকে।

৯দাসবিলাকক শিকোৱা যে তেওঁলোকে প্ৰত্যেক কথাত নিজৰ প্ৰভুৰ বশীভূত হৈ আজ্ঞা পালন কৰে।সদায়ে তেওঁলোকক সন্তোষ্ট কৰি থাকে।উভতি উত্তৰ যেন নিদিয়ে। ১০হাত লৰচৰ নকৰক। কিন্তু সম্পূৰ্ণ বিশ্বস্ততাৰ প্ৰদৰ্শন কৰক। যাতে আমাৰ ত্ৰাণকৰ্ত্তা ঈশ্বৰৰ শিক্ষাৰ সকলো বিষয়তে ভূষিত হয়।

১১কিয়নো ঈশ্বৰৰ অনুগ্ৰহ সকলো মানুহৰ পৰিত্ৰাণৰ অৰ্থে

প্ৰকাশিত হল। ১২ইয়াৰে আমি শিকিবলৈ পাওঁ যে আমি
ঈশ্বৰবিহীনক অস্বীকাৰ কৰি আৰু সাংসাৰিক অভিলাষবোৰক
নিষেধ কৰি এনে জীৱন জীয়াওঁ যি বিবেকপূৰ্ণ শুদ্ধ, ভক্তিৰে
ভৰপূৰ আৰু পবিত্ৰ হওক। বৰ্তমানৰ এই সংসাৰত। ১৩আশাৰ
সেই ধন্য দিনলৈ অপেক্ষা কৰি থাকোঁ যেতিয়া আমাৰ পৰম
ঈশ্বৰ আৰু ত্ৰাণকৰ্ত্তা যীচু খ্ৰীষ্টৰ প্ৰতাপৰ সৈতে প্ৰকাশিত
হব। ১৪তেওঁ আমাৰ কাৰণে নিজে নিজকে দান দিলে। যাতে
তেওঁ সকলো ধৰণৰ দুষ্টত্মাৰ পৰা আমাক ৰক্ষা কৰিব পাৰে,
আৰু নিজৰ মনোনীত লোকবিলাকক নিজৰ বাবে শুচি কৰি
লয় আমাক যি উত্তম কৰ্ম্ম কৰিবলৈ উদ্যোগী।
১৫এই কথাবোৰ সম্পূৰ্ণ অধিকাৰে সৈতে বুজাই থাকা।
উৎসাহী কৰি থাকা আৰু বিৰোদ্ধীবিলকক ডাবি দি থাকা,
যাতে কোনোৱে তোমাক হেয়জ্ঞান কৰিব নোৱাৰে।

## জীৱনৰ উত্তম ৰীতি

৩ ১লোকবিলাকক সোঁৱৰণ কৰাই থাকা যাতে
তেওঁলোকে ৰজাৰ আৰ অধিকাৰী বিলাকৰ অধীনত
থাকে। তেওঁলোকৰ আজ্ঞাবোৰ পালন কৰে। সকলো
প্ৰকাৰৰ উত্তম কাৰ্য্য কৰিবলৈ যুগুত হৈ থাকে। ২কাৰো
নিন্দা নকৰক। ক্ষান্ত-স্বভাৱী হৈ প্ৰিয় হৈ থাকক। সকলো
লোকৰ লগত ভাল ব্যৱহাৰ কৰক।
৩এইবোৰ মই এইকাৰণে কৈছোঁ কিয়নো এসময়ত,
যেতিয়া আমিও মূৰ্খ আছিলো। আজ্ঞা নমনা আছিলো।
ভ্ৰান্তত পৰি আছিলো। বাসনা তথা সকলো প্ৰকাৰৰ সুখ-
ভোগীৰ দাস হৈছিলোঁ। আমি দুষ্টতা আৰু হিংসাত নিজৰ
জীৱন নিয়াইছিলোঁ। আমাক লোকবিলাকে ঘৃণা কৰিছিল
আৰু আমিও পৰস্পৰে ঘৃণাকাৰী আছিলোঁ। ৪কিন্তু যেতিয়া
আমাৰ ত্ৰাণকৰ্ত্তা ঈশ্বৰৰ মানৱতাৰ প্ৰতি কৰুণা আৰু প্ৰেম
প্ৰকাশিত হল ৫তেওঁ আমাক উদ্ধাৰ কৰিলে। এইটো
আমাক নিৰ্দোষী কৰিবলৈ আমাৰ কোনো ধাৰ্মিক কৰ্ম্মৰ
কাৰণে হোৱা নাই কিন্তু তেওঁৰ কৰুণাৰ দ্বাৰাহে হৈছে।
তেওঁ আমাৰ ৰক্ষা সেই স্নানৰ দ্বাৰা কৰিলে যিহতে আমি
নতুন জন্ম হওঁ আৰু পবিত্ৰ আত্মাৰ দ্বাৰা নতুন কৰা হওঁ।
৬তেওঁ আমাৰ ওপৰত পবিত্ৰ আত্মাক আমাৰ যীচু খ্ৰীষ্টৰ
দ্বাৰা বাহুল্যৰূপে বাকী দিলে। ৭এতিয়া ঈশ্বৰে আমাক নিজৰ
অনুগ্ৰহৰ দ্বাৰা নিৰ্দোষী কৰিলে যাতে আমি যিহক আশা
কৰিছিলো সেই অনন্ত জীৱনৰ উত্তৰাধীকাৰী হব পাৰোঁ।
৮এই কথা বিশ্বাসযোগ্য আৰু মই বিচাৰো যে তোমালোক
এই কথাত লাগি থাকা, কিয়নো যিবিলাকে ঈশ্বৰত
বিশ্বাস কৰে, সৎকৰ্ম্মতেই লাগি থাকক। এইবোৰ কথা
মানুহবিলাকৰ পক্ষে উত্তম আৰু লাভকাৰী।
৯বংশাৱালী বিবাদ, বিধানৰ বিষয়ে বাগযুদ্ধ, সমস্যা আৰু
মূৰ্খতাপূৰ্ণ মতভেদৰ পৰা আঁতৰি থাকা, কিয়নো সেইবোৰৰ
পৰা একো লাভ নহয় সেইবোৰ অনৰ্থক, ১০যি মানুহে ভেদ
জন্মায়, তেওঁক এবাৰ বা দুবাৰ চেতনা দি তেওঁৰ পৰা বিমুখ
হৈ যোৱা। ১১কিয়নো তুমি জানা যে এনে ব্যক্তি বিপথগামী
আৰু পাপ কৰি আছে। তেওঁ নিজে নিজক দোষী প্ৰমাণিত
কৰিলে।

## মনত ৰাখিবলগীয়া কিছুমান কথা

১২মই তোমাৰ তালৈ এতিয়া আৰ্ত্তিমা বা তুখিকক পঠালে
নীকপলিত মোৰ তালৈ আহিবলৈ তুমি যত্ন কৰিবা কিয়নো
মই সেই ঠাইতে জাৰ কাল কটাবলৈ নিশ্চয় কৰিছোঁ।
১৩বিধান পণ্ডিত চীনাক আৰু আপল্লোক তেওঁলোকৰ যাত্ৰাৰ
নিমিত্তে যিবোৰৰ আৱশ্যক আছে, তেওঁলোকৰ নিমিত্তে
যোগান ধৰি সহায় কৰিবা। যাতে তেওঁলোকৰ একোৰে
অভাৱ নহয়। ১৪আমাৰ লোকবিলাককো সৎকৰ্ম্মত লাগি
থাকিবলৈ শিকাব লাগে। তেওঁলোকৰ ভিতৰতো যাৰ অতি
আৱশ্যকতা থকা জনাক পূৰ্ণ কৰিবা যাতে তেওঁলোক
নিষ্ফল নহয়।
১৫মোৰ লগত থকা যিবিলাক সকলোৱে তোমাক মঙ্গবাদ
কৰিছে, আমাৰ বিশ্বাসৰ কাৰণে যিবিলাকে আমাক প্ৰেম
কৰে তেওঁলককো মঙ্গলবাদ দিবা।
ঈশ্বৰৰ অনুগ্ৰহ তোমালোকৰ সকলোৰে লগত থাকক।